# Third India–Republic of Korea Strategic Dialogue

December 03, 2021

# তৃতীয় ভাৰত-কোৰিয়া কৌশলগত আলোচনা

ডিচেম্বৰ 03, 2021

ৰাষ্ট্ৰীয় সুৰক্ষা উপ পৰামৰ্শদাতা, শ্ৰী পংকজ চৰণৰ আমন্ত্ৰণত, ৰাষ্ট্ৰীয় সুৰক্ষাৰ দ্বিতীয় উপ পৰিচালক, মিঃ কিম হুয়ং-জিনে নতুন দিল্লী ভ্ৰমণ কৰে ডিচেম্বৰ 3, 2021 তাৰিখৰ ভাৰত আৰু কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদ সচিবালয় মাজৰ তৃতীয় ভাৰত-কোৰিয়া কৌশলগত আলোচনাৰ বাবে।

ভাৰত আৰু কোৰিয়া গণৰাজ্যৰ মাজৰ ঘনিষ্ঠ আৰু কৌশলগত অংশীদাৰিত্বৰ গাঁথনিৰ অধীনত, দুয়ো পক্ষই গভীৰ আলোচনা কৰে বিশেষ কৌশলগত অংশীদাৰিত্ব অধিক উন্নত কৰাৰ বাবে। দুয়ো পক্ষইঅ সন্মত হয় দ্বিপক্ষীয়, আঞ্চলিক আৰু বিশ্বযোৰা ৰুচীৰ ক্ষেত্ৰত পাৰস্পৰিকভাৱে উপকাৰি কৌশলগত সহযোগিতা অধিক শক্তিশালী আৰু গভীৰ কৰিবলৈ। ভাৰত আৰু কোৰিয়া গণৰাজ্যৰ মাজত প্ৰতিৰক্ষা খণ্ডত স্বদেশীকৰণ, যুটীয়া বিকাশ আৰু যুটীয়া উৎপাদনৰ ওপৰত জোৰ দিয়া হয়। লগতে গুৰুত্বপূৰ্ণ আৰু উচ্চ প্ৰযুক্তি আৰু যোগান শৃংখল সহনশীলতাত অংশীদাৰিত্ব আলোচনা কৰা হয়।

দুয়ো পক্ষই চাইবাৰ সুৰক্ষা আৰু তথ্য প্ৰযুক্তি, সামুদ্ৰিক সুৰক্ষা আৰু সন্ত্ৰাসবাদ, চৰমপন্থা আৰু মৌলবাদাৰ শংকা আৰু প্ৰত্যাহ্বানত সহযোগিতাৰ ক্ষেত্ৰ চিনাক্তকৰে। তেওঁলোকে ভাৰতৰ "পূৱ কাৰ্য নীতি" আৰু কোৰিয়া গণৰাজ্যৰ "নতুন দক্ষিণীয় নীতি"ৰ মাজৰ সমন্বয় শক্তিশালী কৰিবলৈ সন্মত হয়।

নিজৰ এই ভ্ৰমণত, কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ দ্বিতীয় উপ পৰিচালকে ৰাষ্ট্ৰীয় সুৰক্ষা পৰামৰ্শদাতা শ্ৰী অজিত কে ডোভাল, কেচি আৰু বিদেশ বিষয়ক কেন্দ্ৰীয় মন্ত্ৰী ডঃ ৰাজকুমাৰ ৰঞ্জন সিঙক সাক্ষাৎ কৰে।

**নতুন দিল্লী**
**ডিচেম্বৰ 3, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.